# অসম আদিত্য

১১ আহিন, ১৯৪৬ শক ■ শনিবাৰ, ২৮ ছেপ্টেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Saturday, September 28, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


ডিব্ৰুগড় শাখা লেখিকা
নাথ বেজবৰুৱা ভৱনত
অনুযায়ী গ্ৰন্থ উন্মোচনী
ংস্থাৰ বিভিন্ন শাখাৰ
কৰা হয়। উক্ত অনুষ্ঠানত
নাৰায়ণ বৰুৱা সোঁৱৰণী
লৈ সক্ষম হোৱা 'মনৰ
নিকভাৱে উন্মোচন কৰে
াপক গন্ধেশ্বৰ শইকীয়াই।
ষ্ঠ কৰা হৈছে।

## ৱা
## নিৰ্বাচন

মাঝাৰ পৰিচালনা সমিতিৰ
শদভাৱে আলোচনা কৰাৰ
প্ৰতিবেদন, চাৰ্টাৰ্ড অডিটৰৰ
হিচাপ আদি বিতংভাৱে
গ্ৰহণ কৰা হয়। ডিব্ৰুগড়ৰ
মৰ্মে ইতিমধ্যে যাৱতীয়
নী বিষয়াৰ অধীনত অহা
সাধাৰণ নিৰ্বাচন পাতিবলৈ

# ডিএইচএছ কানৈ মহাবিদ্যালয়ত 'কথা, কবিতা, নৃত্য-গীতৰ এঙামুৰি' শীৰ্ষক অনুষ্ঠান




**ষ্টাফ ৰিপৰ্টাৰ, ২৭ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত ডিএইচএছকানৈ মহাবিদ্যালয়ত ২৬ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ উদ্যোগত 'কথা, কবিতা আৰু নৃত্য-গীতৰ এঙামুৰি' শীৰ্ষক এক মননশীল অনুষ্ঠান অনুষ্ঠিত হয়। ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মিয়ে আঁতধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয়— কলা-সাহিত্যৰ চৰ্চাই এখন সমাজ সুন্দৰ কৰে। এখন সমাজ সুস্থ কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত সাহিত্য-সংস্কৃতিৰ চৰ্চা অধিক হোৱাতো প্ৰয়োজন বুলি মত প্ৰকাশ কৰি কয়— ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতি সপ্তাহত এনে এক সাহিত্য চৰ্চাৰ কাৰ্যসূচী অনুষ্ঠিত কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ দিশত প্ৰতিভা বিকাশত সহায়ক হ'ব। অনুষ্ঠানত শৈক্ষিক সমন্বয়ক ড০ মৃদুল শৰ্মাই এটি সুন্দৰ ৰাভা সংগীত পৰিৱেশনেৰে ছাত্ৰ-ছাত্ৰীসকলক আপ্লুত কৰে। ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড০ জ্যোতি প্ৰসাদ ফুকনে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক মননশীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত কবিতা পাঠ কৰে ক্ৰমে— চিন্ময় কলিতা, পাৰ্থ বৰা, অনুশ্ৰী বৰপাত্ৰগোহাঁই, চয়ণিকা বুঢ়াগোহাঁই, কৰিণা বৰুৱা, বিতুপন চবৰ, পৰিস্মিতা দত্তকে ধৰি ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে। গীত পৰিৱেশন কৰে ক্ৰমে অংশুমান সভাপণ্ডিত কাশ্যপ, উৎপল কুৰ্মি, বেদব্যাস বড়ি, চৌমিন হাজৰিকা, স্বপ্নীল ফুকন, কাবেৰী ফুকন, প্ৰণামী চাৰহ, ভাৰ্চি গগৈ, আইছেংফা কোঁৱৰৰ লগতে বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে, বাঁহী বাদন কৰে স্নেহময় ফুকন আৰু নীলা খামৰ চিঠি পাঠ কৰে ভাগ্যশ্ৰী বৰুৱাই। অনুষ্ঠানত ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদিকা জ্যোতিশিখা কাকতি, গুৰু ক্ৰীড়া সম্পাদক ৰুবুল চুতীয়া, লঘু ক্ৰীড়া সম্পাদক পাৰিতোষ বৰা, ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা বৃষ্টি গগৈ, প্ৰাক্তন আলোচনী সম্পাদিকা লক্ষ্মীপ্ৰিয়া কলিতাৰ লগতে দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মিয়ে।